# 2018

## ASSAMESE

## ( Elective )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। যি কোনো দহটা প্ৰশ্নৰ উত্তৰ লিখা (*এটা* বা *দুটা* শব্দত) : ১×১০=১০

(ক) 'কথা-ভাগৱত' গ্ৰন্থৰ ৰচক কোন আছিল ?

(খ) মহাপুৰুষীয়া ধৰ্মত কাল-সংহতি শাখা কোনে প্ৰৱৰ্তন কৰিছিল ?

(গ) 'কথাগুৰুচৰিত'ৰ মতে কোনে প্ৰথমে 'চৰিত তোলা প্ৰথা' আৰম্ভণি কৰিছিল ?

(ঘ) বকুল কায়স্থৰ 'কিতাবত-মঞ্জৰী' কি বিষয়ক পুথি ?

(ঙ) 'অদ্ভুত ৰামায়ণ' কাৰ ৰচনা ?

(চ) "বুৰঞ্জীৰ কথা শুকান হাৰ-ছাল নহয় ; তাত ভাবৰ সমাৱেশ আৰু আৱেগৰ সৌৰভ লক্ষ্য কৰিব পাৰি।" কথাষাৰ কোনগৰাকী আধুনিক অসমীয়া বুৰঞ্জীবিদে কৈছিল ?



( Turn Over )

(ছ) 'ন. ল. ফ' ছদ্মনামেৰে সাহিত্যচৰ্চা কৰা লেখকজনৰ সম্পূৰ্ণ নামটো কি ?

(জ) 'অসমীয়া ল'ৰাৰ মিত্ৰ' কোনে ৰচনা কৰিছিল ?

(ঝ) 'জোনাকী' আলোচনীৰ প্ৰথম সম্পাদক কোন আছিল ?

(ঞ) লক্ষ্মীনাথ বেজবৰুৱাৰ আত্মজীৱনীখনৰ নাম লিখা।

(ট) 'অ. ভা. উ. সা. সভা' মানে কি ?

(ঠ) কোনগৰাকী অসমীয়া কবিক 'বিহগী কবি' নামেৰে জনা যায় ?

(ড) 'আৱাহন' আলোচনীখন কিমান চনত প্ৰকাশ হৈছিল ?

(ঢ) 'চিৰাজ' গল্পটোৰ গল্পকাৰ কোন ?

(ণ) প্ৰথম অসমীয়া আধুনিক নাটকখনৰ নাম কি ?

২। যি কোনো **পাঁচটা** প্ৰশ্নৰ উত্তৰ লিখা (*এটা* বা *দুটা* বাক্যত) : ২×৫=১০

(ক) কোন দুগৰাকী আহোম ৰজাই শাক্ত গীত ৰচনা কৰিছিল ?

(খ) ভট্টদেৱৰ প্ৰকৃত নাম কি ? এওঁ কাৰ আদেশত ভাগৱত-শাস্ত্ৰৰ গদ্য ভাঙনী কৰিছিল ?

(গ) 'অৰুণোদই' আলোচনীখন কিমান চনত, ক'ৰ পৰা প্ৰকাশ হৈছিল ?

(ঘ) ৰোমাণ্টিক কবিতাৰ যি কোনো দুটা বৈশিষ্ট্য উল্লেখ কৰা।

(ঙ) প্ৰথম অসমীয়া চুটিগল্পকাৰজন কোন? তেওঁ ৰচনা কৰা যি কোনো এখন গল্প-পুথিৰ নাম লিখা।

(চ) উত্তৰ-শংকৰী যুগত ৰচিত যি কোনো দুখন ব্যৱহাৰিক সাহিত্যৰ পুথিৰ নাম উল্লেখ কৰা।

(ছ) তলৰ কবিতা-পুথি দুখনৰ ৰচকৰ নাম কি কি?

প্ৰতিমা, ফুলৰ চানেকি

৩। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৪=২০

(ক) চৰিত পুথি সম্পৰ্কে এটা চমু টোকা লিখা।

(খ) অসমীয়া উপন্যাস সাহিত্যৰ নিৰ্মাণত এ. কে. গাৰ্ণীৰ ৰৰঙণি সম্পৰ্কে চমুকৈ লিখা।

(গ) সাধুকথা আৰু চুটিগল্পৰ পাৰ্থক্যসমূহ কি কি?

(ঘ) চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতা সম্পৰ্কে এটি টোকা প্ৰস্তুত কৰা।

(ঙ) ঔপন্যাসিক হিচাপে ৰজনীকান্ত বৰদলৈৰ এটি পৰিচয় দাঙি ধৰা।

৪। উত্তৰ-শংকৰী যুগৰ 'মহাভাৰতীয় সাহিত্য' সম্পৰ্কে বহলাই লিখা। ১০

*নাইবা*

অসমীয়া বুৰঞ্জী সাহিত্যৰ উদ্ভৱ আৰু বিকাশ সম্পৰ্কে উদাহৰণসহ এটি আলোচনা দাঙি ধৰা।

৫। অসমীয়া সাহিত্যলৈ মিছনেৰীসকলৰ অৱদান সম্পৰ্কে এটি নিবন্ধ যুগুত কৰা। ১০

*নাইবা*

আনন্দৰাম ঢেকিয়াল ফুকনৰ সাহিত্যকৃতি সম্পৰ্কে এখন ৰচনা লিখা।

৬। 'জোনাকী' আলোচনীয়ে অসমীয়া সাহিত্যলৈ কেনেধৰণৰ নতুনত্বৰ জোৱাৰ আনিছিল, বিৱৰি লিখা। ১০

*নাইবা*

আধুনিক অসমীয়া সাহিত্যৰ ভেটি নিৰ্মাণত গুণাভিৰাম বৰুৱা আৰু হেমচন্দ্ৰ বৰুৱাৰ ভূমিকা সম্পৰ্কে এটি আলোচনা দাঙি ধৰা।

৭। আৱাহন যুগৰ চুটিগল্পৰ বিষয়ে এটি সামগ্ৰিক আলোচনা আগবঢ়োৱা। ১০

*নাইবা*

অসমীয়া গদ্য সাহিত্যৰ জনক হিচাপে ভট্টদেৱক স্বীকৃতি দিয়াৰ যুক্তিযুক্ততা বিচাৰ কৰা।

★★★